**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-01-2025 **Time :** 0705 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। দিল্লীৰ কৰ্তব্যপথত আজি গণৰাজ্য দিৱসৰ কুচকাৱাজৰ পূৰ্ণাংগ আখৰাৰ আয়োজন কৰা হৈছে।

২। মহাৰাষ্ট্ৰৰ জলগাঁও জিলাৰ পছোৰাত কালি বিয়লি হোৱা ৰে'ল দুৰ্ঘটনাত কমেও ১২ জন লোকে প্ৰাণ হেৰুৱায় আৰু অন্য ১৪ জন আহত হয়।

৩। জলপথসমূহ দেশৰ সমৃদ্ধিৰ নতুন পথ হৈ পৰিছে বুলি কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে।

৪। নেতাজী সুভাষ চন্দ্ৰ বসুৰ ১২৮ সংখ্যক জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি সমগ্ৰ দেশত আজি পৰাক্ৰম দিৱস পালন কৰা হৈছে।

আৰু

৫। ভাৰতে যোৱানিশা কলকাতাত অনুষ্ঠিত ৫ খনীয়া টী-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ইংলেণ্ডক ৭ উইকেটত পৰাস্ত কৰে।

০০০০০০০

দিল্লীৰ কৰ্তব্যপথত আজি গণৰাজ্য দিৱসৰ কুচকাৱাজৰ পূৰ্ণাংগ আখৰা অনুষ্ঠিত হ'ব। এই কুচকাৱাজ পুৱা চাৰে ১০ বজাত বিজয় চ'কৰ পৰা আৰম্ভ হ'ব আৰু লালকিল্লাত সামৰণি পৰিব। এই পূৰ্ণাংগ আখৰাৰ সময়ত টী-নাইন্‌টিন টেংক, নাগ ক্ষেপনাস্ত্ৰ প্ৰণালী আৰু পিনাকা ৰকেট প্ৰণালীৰ জৰিয়তে দেশৰ সামৰিক শক্তিৰ প্ৰদৰ্শন কৰা হ'ব। ইয়াৰ উপৰি সশস্ত্ৰ বাহিনীৰ ভিন ভিন দল আৰু বিভিন্ন ৰাজ্যৰ প্ৰতীকপটৰ মাধ্যমেৰে দেশৰ সাংস্কৃতিক সৰ্বাত্মকতা প্ৰদৰ্শন কৰিব। বায়ুসেনাৰ বিভিন্ন শ্ৰেণীৰ বিমান আৰু যুঁজাৰু বিমানে কৰ্তব্য পথৰ আকাশ মাৰ্গত বিভিন্ন ধৰণৰ কলা-কৌশল প্ৰদৰ্শন কৰিব। কুচ-কাৱাজ সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰত যাতায়াতৰ বিকল্প ব্যৱস্থা কৰা হৈছে। দিল্লী আৰক্ষীয়ে প্ৰকাশ কৰা মতে বিজয় চ'কত পূৰ্ণাংগ আখৰাৰ কুচ-কাৱাজ আৰম্ভ হ'ব আৰু কৰ্তব্য পথ, চি-হেক্সাগন, নেতাজী সুভাষ চন্দ্ৰ বসুৰ প্ৰতিমূৰ্তি, তিলক মাৰ্গ, বাহাদুৰ শ্বাহ জফৰ মাৰ্গ আৰু নেতাজী সুভাষ চন্দ্ৰ মাৰ্গ হৈ লালকিল্লা দিশে অগ্ৰসৰ হ'ব। যান-বাহন আৰক্ষীয়ে যান-জঁট এৰাই চলাৰ বাবে এই পথসমূহেৰে যাত্ৰা নকৰিবলৈ পৰামৰ্শ আগবঢ়াইছে।

০০০০০০০০০

এইবেলি ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ কুচ-কাৱাজত দেশৰ বৈচিত্ৰ আৰু সাংস্কৃতিক সৰ্বাত্মকতা তুলি ধৰাৰ উদ্দেশ্যে বিভিন্ন ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চল আৰু কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিভিন্ন মন্ত্ৰালয়ৰ মুঠ ২৬ টা প্ৰতীকপট সাজি উলিওৱা হৈছে। স্বৰ্ণিম ভাৰত ঃ ঐতিহ্য আৰু বিকাশ বিষয়বস্তুৰ ওপৰত ভিত্তি কৰি এই প্ৰতীকপটসমূহ সাজি উলিওৱা হৈছে। এইবাৰ গণৰাজ্য দিৱসৰ কুচ-কাৱাজত ভিন ভিন বিষয়বস্তুৰে নিৰ্মাণ কৰি উলিওৱা ১৬ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ লগতে বিভিন্ন মন্ত্ৰালয় আৰু বিভাগৰ ১০ টা প্ৰতীকপট

অন্তৰ্ভুক্ত কৰা হ'ব। এই প্ৰতীকপটসমূহে দেশৰ বিবিধ শক্তি প্ৰদৰ্শন কৰিব বুলি প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। এইবাৰৰ কুচ-কাৱাজত শক্তিশালী আৰু সুৰক্ষিত ভাৰত বিষয়বস্তু আধাৰিত সেনা বাহিনীৰ তিনিওটা শাখাৰ এটা প্ৰতীকপটো চামিল হ'ব। এইবেলি প্ৰথমবাৰৰ বাবে গণৰাজ্য দিৱসৰ কুচকাৱাজত ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ এটা প্ৰতীকপট অন্তৰ্ভুক্ত কৰা হ'ব। আকাশবাণীৰ সৈতে হোৱা এটা আছুতীয়া সাক্ষাৎকাৰত ধৰিত্ৰী বিজ্ঞান মন্ত্ৰালয়ৰ সচিব ডঃ এম ৰবিচন্দ্ৰনে কালি কয়, যে বতৰ বিজ্ঞান বিভাগৰ বাবে ইয়াৰ ডেৰশ বছৰজোৰা চহকী ইতিহাস আৰু ঐতিহ্য জনসাধাৰণৰ সন্মুখত তুলি ধৰাটো সঁচাকৈ গৌৰৱৰ কথা। কুচ-কাৱাজত অংশ ল'বলগীয়া অন্য প্ৰতীকপটসমূহৰ ভিতৰত দেশৰ সাংস্কৃতিক বৈচিত্ৰ আৰু সৃজনশীলতা উদযাপন কৰা সাংস্কৃতিক মন্ত্ৰালয়ৰ প্ৰতীকপট অন্যতম। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ঐতিহ্যও-বিকাশো মন্ত্ৰৰে অনুপ্ৰাণিত হৈ এই প্ৰতীকপট নিৰ্মাণ কৰা হৈছে।

ooooooooo

মহাৰাষ্ট্ৰৰ জলগাঁও জিলাৰ পছোৰাত কালি বিয়লি হোৱা ৰে'ল দুৰ্ঘটনাত কমেও ১২ জন লোকে প্ৰাণ হেৰুৱায় আৰু অন্য ১৪ জন আহত হয়। নিহতসকলৰ ভিতৰত ৩ গৰাকী মহিলা আৰু এটি ১০ বছৰীয়া শিশুও আছে। আহতসকল বিপদমুক্ত বুলি কোৱা হৈছে। পুস্পক এক্সপ্ৰেছত জুই লগা বুলি উৰা বাতৰি বিয়পাৰ পাছত চেইন টানি ৰে'লখনৰ একাংশ যাত্ৰী নামি যোৱাৰ সময়তে কৰ্ণাটক এক্সপ্ৰেছ নামৰ অন্য এখন ৰে'লগাড়ীয়ে যাত্ৰীসকলক মহতিয়াই নিয়াৰ ফলত এই অঘটন ঘটে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই ৰে'ল দুৰ্ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে লগতে সামাজিক মাধ্যমযোগে আহতসকলৰ আশু আৰোগ্য কামনা কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে ৰে'ল দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়ালবৰ্গলৈ শোক প্ৰকাশ কৰিছে আৰু আহত সকলৰ আশু আৰোগ্যৰ বাবে প্ৰাৰ্থনা জনাইছে। কৰ্তৃপক্ষসমূহে প্ৰভাৱিত লোকসকলক সম্ভাব্য সকলোধৰণৰ সহায় আগবঢ়োৱা বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই দুৰ্ঘটনা সন্দৰ্ভত মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাৱিছৰ সৈতে কথা পাতিছে। তেওঁ স্থানীয় কৰ্তৃপক্ষই আহতসকলক সকলোধৰণৰ সহায় আগবঢ়োৱা বুলি প্ৰকাশ কৰিছে।

ooooooooo

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা - চি বি আয়ে আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ত সংঘটিত ধৰ্ষণ আৰু হত্যাৰ গোচৰত যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত সঞ্জয় ৰয়ৰ মৃত্যুদণ্ড বিচাৰি কলকাতা উচ্চ ন্যায়ালয়ৰ কাষ চাপিছে। কলকাতাৰ ছিয়ালদহৰ এখন সত্ৰ আদালতে সোমবাৰে মুখ্য অভিযুক্ত সঞ্জয় ৰয়ৰ যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰিছিল।

ooooooooo

জলপথসমূহ দেশৰ সমৃদ্ধিৰ নতুন পথ হৈ পৰিছে বুলি কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে। মুম্বাইত কালি ভাৰতীয় সামুদ্ৰিক সন্মিলন আৰু প্ৰদৰ্শনী, ২০২৫ মুকলি কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে মন্তব্য কৰে। তেওঁ কয়, যে ভাৰত সম্প্ৰতি বৃহৎ বন্দৰৰ যুগত প্ৰৱেশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগীয়ে দেশৰ সামুদ্ৰিক ক্ষেত্ৰৰ ৰূপান্তৰ সাধন কৰা বুলি উল্লেখ কৰি শ্ৰী সোণোৱালে কয়, যে ভাৰতৰ গুৰুত্বপূৰ্ণ বন্দৰসমূহে এতিয়া বছৰি ৮২ কোটি মেট্ৰিকটন সামগ্ৰী পৰিবহণ কৰে। এই পৰিমাণ ২০১৪ চনৰ তুলনাত ৪৭ শতাংশ অধিক বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। সামুদ্ৰিক খণ্ড দেশৰ অৰ্থনীতি পুনৰ উত্থানৰ ভেটি ৰূপে

পৰিগণিত হোৱা বুলি উল্লেখ কৰি শ্ৰী সোণোৱালে কয়, যে চৰকাৰে বন্দৰসমূহৰ আধুনিকীকৰণ আৰু ভাৰতবৰ্ষক সামগ্ৰী পৰিবহণ তথা ব্যৱসায়ৰ গোলকীয় কেন্দ্ৰ ৰূপে গঢ়ি তোলাৰ বাবে ভালেমান সাহসী সিদ্ধান্ত গ্ৰহণ কৰিছে।

০০০০০০০০০

নেতাজী সুভাষ চন্দ্ৰ বসুৰ ১২৮ সংখ্যক জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি সমগ্ৰ দেশত আজি পৰাক্ৰম দিৱস পালন কৰা হৈছে। এই উপলক্ষে সাংস্কৃতিক মন্ত্ৰালয়ে নেতাজীৰ জন্মস্থান ওড়িশাৰ কটকত তিনিদিনীয়া উদযাপন সমাৰোহৰ আয়োজন কৰিছে। ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিয়ে এই সমাৰোহ উদ্বোধন কৰিব।

০০০০০০০০০

ভাৰতে যোৱানিশা কলকাতাৰ ইডেন গাৰ্ডেন্ছত অনুষ্ঠিত ৫ খনীয়া টী-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ইংলেণ্ডক ৭ উইকেটত পৰাস্ত কৰে। খেলখনত ইংলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৩২ ৰান সংগ্ৰহ কৰে। ইংলেণ্ডৰ হৈ অধিনায়ক জ'ছ বাটলাৰে ৪৪ টা বলত সৰ্বাধিক ৬৮ ৰান কৰে। ভাৰতৰ হৈ বৰুণ চক্ৰৱৰ্তীয়ে ৩ টা উইকেট দখল কৰে। অৰ্শদীপ সিং, হাৰ্ডিক পাণ্ডিয়া আৰু অক্ষৰ পেটেলে দুটাকৈ উইকেট লাভ কৰে। প্ৰত্যুত্তৰত ভাৰতে ১৩৩ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১২ অ'ভাৰ আৰু ৫ টা বলত তিনিটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ভাৰতৰ হৈ অভিষেক শৰ্মাই মাত্ৰ ৩৪ টা বলত ৭৯ ৰান কৰে। সঞ্জু ছেমচনে ২৬ ৰানৰ বৰঙণি আগবঢ়ায় আৰু তিলক বাৰ্মাই ১৯ ৰান কৰি আউট নোহোৱাকৈ থাকে। শৃংখলাৰ দ্বিতীয়খন খেল পৰহিলৈ চেন্নাইৰ এম এ চিদম্বৰম ষ্টেডিয়ামত খেলোৱা হ'ব।

০০০০০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে ২০৩০ চনৰ ভিতৰত ১০ হাজাৰ ভৌগোলিক সূচ্যাংক লাভ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। নতুন দিল্লীত আয়োজিত ভৌগোলিক সূচ্যাংক সম্পৰ্কীয় সভাত মন্ত্ৰীগৰাকীয়ে কয়, যে এই লক্ষ্য চৰকাৰী পন্থাৰ জৰিয়তে ৰূপায়িত কৰা হ'ব আৰু ইয়াৰ বাবে এখন তদাৰকী সমিতি গঠন কৰি দিয়া হ'ব। তেওঁ লগতে কয়, যে বিভাগটোৱে আজিলৈকে জাৰি কৰা ভৌগোলিক সূচ্যাংকৰ সংখ্যা হৈছে ৬০৫। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধীনত বৌদ্ধিক সম্পত্তি তথা পৰিৱেশ তন্ত্ৰৰ ওপৰত চৰকাৰে কৰা প্ৰচেষ্টাক লৈও মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। ভৌগোলিক সূচ্যাংকৰ বাবে অনুমোদিত ব্যৱহাৰকাৰীৰ সংখ্যা যোৱা ১০ বছৰত ৩৬৫ৰ পৰা ২৯ হাজাৰলৈ বৃদ্ধি পাইছে। প্ৰধানমন্ত্ৰীয়ে দিয়া বিকাশ ভী আৰু বিৰাছট ভী ধাৰণাৰ ওপৰত গুৰুত্ব দি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে তেওঁৰ মন কি বাত অনুষ্ঠানত বিভিন্ন সামগ্ৰীৰ উল্লেখকে ধৰি প্ৰধানমন্ত্ৰীৰ অহৰহ প্ৰচেষ্টাৰ ওপৰত আলোকপাত কৰে। বৌদ্ধিক সম্পত্তি তথা পৰিৱেশ তন্ত্ৰৰ শক্তিশালী কৰাৰ বাবে চৰকাৰৰ প্ৰচেষ্টাৰ ওপৰত ভাষণ দি মন্ত্ৰীগৰাকীয়ে অনুসন্ধান ৰাষ্ট্ৰীয় গৱেষণা ন্যাস পুঁজি আৰু এখন জিলা এটা উৎপাদন আঁচনিৰ কথা উল্লেখ কৰে। সামগ্ৰীৰ উন্নত মান নিশ্চিত কৰিবলৈ তেওঁ এফ এছ এছ এ আই আৰু বি আই এছ-ৰ সৈতে সহযোগিতাৰ প্ৰয়োজনীয়তাৰ কথাও উল্লেখ কৰে। উদ্যোগ আৰু আভ্যন্তৰীণ বাণিজ্য প্ৰসাৰ বিভাগৰ উদ্যোগত অনুষ্ঠানটোৰ আয়োজন কৰা হয়।

০০০০০০০০০

**সমাপ্ত**